# NEWS LETTER
## COLLEGE WEEK : 2023-24
# NIRMAL HALOI COLLEGE
## PATACHARKUCHI, BAJALI : ASSAM - 781326

1979

NH COLLEGE, PATACHARKUCHI : COLLEGE WEEK-2023-24 : **NEWS LETTER** PUBLISHED ON MARCH-07,2024 : THURSDAY TOTAL PAGES- 8


## From the Principal's Desk



N.H. College, Patacharkuchi, one of the premier institutions of Higher Education in Lower Assam has been celebrating its glorious 44th Annual College Week Festival from 2nd March to 7th March 2024. I wish everyone a rewarding and meaningful celebration for transforming this prestigious institution into a new horizon.

Celebration of College Week is always a joyous occasion for students as well as teachers. As we all know that the main objective of this festival is to explore the innate talents and creativity of the students. Apart from academic learning, Nirmal Haloi College always encourages students to participate in every events for their all-round development. I sincerely hope that this college fest will provide students a sense of team spirit to work together for their holistic development. Here getting prize is less important than participation.

The cultural rally of Day 1 showcases a collective responsibility of every student to spread the message of unity in diversity, teamwork, promotion of folk culture, ethnicity, critical thinking, creativity and so on.

I am sure it brings cheer and happiness to every students' faces.

Our aim is to make education a fun-filled, learning and growing experiences on the solid foundation of values. We believe that teaching-learning with sports and culture can bring a big difference where students can dream big and can transform it into reality.

Dr. Kaushik Kumar Deka
Principal
N.H. College, Patacharkuchi


Editorial Board

Advisor : Dr. Kaushik Kumar Deka

Membrs :

Barnali Saikia
Sarmistha Borah
Lohita Bala Hajong
Priyanka Das



## Glance of College Week

The 44th College Week of Nirmal Halai College in Patacharkuchi, Bajali district, was started on March 2, 2024. The event began with the hoisting of the college flag by Dr. Kaushik Kumar Deka, the Principal, and the Student Union flag by Jondeep Kalita, the President of the Student Union. Various teachers and staff members were present, including Kishore Kumar Sharma, the In-charge of the Debate and Symposium Section, and Hemanta Kumar Seal, the Associate Professor and Head of the Department of Political Science.Urmi Medhi, Additional District Commissioner of Bajali District, inaugurated the cultural procession and emphasized the significance of education and co-curricular activities in guiding the new generation. The procession witnessed active participation from students of all departments, making it a resounding success. Additionally, a wide range of competitions were held, including Volleyball, Music Chair, Arm Wrestling, Single Carrom, Double Carrom, Tug of War, Poem Recitation (in English and Assamese), and Poem Writing Make-up, Hair Style, Bride, Cricket, News Reading, *Nila Khamor Sithi* Writing, Short Story Writing, Collage Making, and Kabaddi etc.









**Nirmal Haloi College Week**

PATACHARKUCHI, March 4: The 44th College Week of Nirmal Haloi College, Patacharkuchi, got under way on Sat- urday. At the outset, principal of the college Dr Kaushik Kumar Deka hoisted the college flag, while Jondeep Kalita, president of the college students' union, hoisted the stu- dent union flag. Kishore Kumar Sarma, in-charge of the de- bate and symposium section, and Hemanta Kumar Seal, as- sociate professor and head of the Department of Political Science, were also present, along with teachers from vari- ous departments. Urmi Medhi, additional district commis- sioner of Bajali district, graced the event as the inaugurator of the cultural procession. In her address, she emphasised the importance of education and co-curricular activities in guiding the new generation in the right direction. A large number of students from each department of the college participated in the procession that reflected the various cultures of the State, making the event a grand success. – ANN Service

## Editorial

Dear Readers,

We are delighted to present to you the newsletter, dedicated to the 44th College Week of Nirmal Haloi College. This annual event was a time of immense excitement and celebration as we came together to honor the spirit of our college and showcase the incredible talents of our students.Throughout the week, we had a lineup of diverse activities and events that inspired and encouraged our students to explore their passions in various fields of their interest.Sports enthusiasts witnessed thrilling matches and competitions, fostering a sense of healthy competition, leadership and teamwork. From cricket and football to athletics, our students demonstrated their skills and showcased the true spirit of sportsmanship.For artistically inclined students, a series of events were organized, encompassing various performing arts disciplines such as dance, drama, and music. Additionally, creativity-related events such as make-up, hairstyling, collage making, painting, etc. were also organised. In order to develop a sense of responsibility towards society and the environment, additional competitions such as cleaning competitions and competitions focused on creating items from waste materials were held.Academic excellence being at the heart of our college, the College Week also featured intellectual competitions such as quizzes, and speech. These events provided a platform for students to sharpen their analytical skills, expand their knowledge, and engage in meaningful discussions on various topics.In addition to the scheduled events, the NSS Unit of N.H College organized a cleanliness drive on the college campus. The main motto of the event was to promote the idea of a clean environment among the students. More than 25 students joined the drive and volunteered their services to clean the campus during the College Week.The success of the College Week was a testament to the hard work and dedication of our teachers, office staff, and students. Their tireless efforts in organizing this grand event truly paid off, and we extend our heartfelt gratitude to each and every one of them.We hope that the 44th College Week left an indelible mark on the hearts and minds of all who witnessed and participated in this grand annual event..At the end, we would like to thank each and every one of you for offering your greetings towards the event and for sharing your experiences of the college week.

With best regards
Editorial Board
Nirmal Haloi College

# সংস্কৃতি হ'ল এটা জাতিৰ শিপা ঃ ৰাজেন দাস

## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক ঐতিহ্যক আগবঢ়াই নিয়াৰ আহ্বান অধ্যক্ষৰ



নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষত আয়োজিত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহ ৬ মাৰ্চ তাৰিখে সফলভাৱে সামৰণি পৰে। ৩ মাৰ্চত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ শুভ উদ্বোধন কৰে দৰ্শন বিভাগৰ মুৰব্বী তথা সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক ৰাজেন দাসে। সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা উদ্বোধন কৰি ৰাজেন দাসে কয় - "সংস্কৃতি হ'ল এটা সমাজৰ শিপা। শিপাক জীয়াই ৰাখিলেহে জাতিটো বিশ্ববাসীৰ ওচৰত মূৰ পোন কৰি থাকিব পাৰিব।" তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃতিৰ মহাসাগৰত শিপাৰ সন্ধান কৰি আগুৱাই যাবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কৌশিক কুমাৰ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ঐতিহ্যক অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ ভিতৰত ৩ মাৰ্চত জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে ৪ মাৰ্চত বৰগীত, লোকগীত, জনজাতীয় গীত, শাস্ত্ৰীয় সংগীত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৬ মাৰ্চত নৃত্য আৰু নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাংস্কৃতিক বিভাগৰ এইবাৰৰ শ্ৰেষ্ঠ সংগীত শিল্পী হিচাপে গীতাৰ্থ শাণ্ডিল্য আৰু দ্বিতীয় শ্ৰেষ্ঠ হিচাপে পৰিণীতা বৰুৱা নিৰ্বাচিত হয়।

## সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন















I wish to congratulate the students of N H College, on the publication of the newsletter of college week. I think, it will reflect the ideas, and team spirit in organising various activities and their aspirations for the future. I would also like to thank all my colleagues for their continued support in the entire events of college week through which it became colourful and successful. I welcome reader's reviews and suggestions for future editions.

Jiten Kr. Bhagawati
Proff. in-charge
NHCSU







সাংস্কৃতিক শোভাযাত্ৰাৰে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ

## COLLEGE WEEK FESTIVALS PLAY A VITAL ROLE IN ELIMINATING STRESS AND ANXIETY

N.H. College has a beautiful tradition to celebrate its Annual College Week festival in fostering a positive and vibrant culture by engaging students, faculty and staff. It provides a colourful environment where students can participate in various sports and cultural as well as literary events to make themselves free from anxiety and stress. The festival always serves as a platform to engage every student to participate in different events to develop their sportsman spirit. The unique Cultural Rally, Volleyball, Football, Cricket, Songs and Dances, Plays, Quiz, Debate, Elocution, and Recitation - make this college week festival the most memorable both for the students as well as the teachers. I wish best wishes to every student for their shining future.

Dr. Nabanita Kalita
Associate Professor, Dept. of Assamese
N.H. College.

পুৰাতেই ৰঙীন হৈ পৰিল পাটাছাৰকুছিৰ ৰাজপথ। ইয়াৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। আৰম্ভণী অনুষ্ঠান উপলক্ষে শনিবাৰে ২ মাৰ্চ, ২০২৪ ইং চন (কলেজখনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলে ৰাজপথত উলিয়ায় বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। পুৱা ১০.৩০ বজাত এক উখল-মাখল পৰিৱেশত উৰুলি ধ্বনিৰ মাজত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বজালী জিলাৰ অতিৰক্ত আয়ুক্ত উৰ্মি মেধি ডাঙৰীয়ানীয়ে। মহাবিদ্যালয়ৰ ৯ টা বিভাগে ইয়াত অংশ গ্ৰহণ কৰে। এই শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীক উৎসাহ দিবৰ বাবে পুৰস্কাৰৰ ব্যৱস্থা আছিল।

এই সাংস্কৃতিক শোভাযাত্ৰাত ২৩০ জন ছাত্ৰ-ছাত্ৰী থকা ইতিহাস বিভাগৰ সৰহ সংখ্যকে প্ৰৱল উৎসাহ আৰু প্ৰস্তুতিৰে অংশ গ্ৰহণ কৰি ৰাইজৰ উচ্চ প্ৰশংসা লাভ কৰে আৰু বিচাৰকৰ দৃষ্টিত সৰ্বশ্ৰেষ্ঠ দল ৰূপে নিৰ্বাচিত হয়। শোভাযাত্ৰাৰ বিষয় বস্তু আছিল 'আদিম যুগৰ পৰা আধুনিক যুগলৈ - এক সাংস্কৃতিক বিৱৰ্তন'। ইয়াত ভাৰতবৰ্ষৰ আদিম যুগৰ গুহাবাসী চিকাৰী মানৱ সমাজৰ পৰা বৈদিক যুগৰ ঋষি-মুনি, বিদুষী নাৰী গাৰ্গি, মৈত্ৰী, পৰৱৰ্তী সময়ছোৱাৰ বহু বিবাহ, সতী প্ৰথা, পৰ্দা প্ৰথা, ভক্তি আন্দোলন, শংকৰদেৱ, মাধৱদেৱ আৰু শেষত আধুনিক যুগৰ ভোট দানৰ অধিকাৰৰ পৰা আৰম্ভ কৰি স্কুললৈ যোৱা ছাত্ৰ-ছাত্ৰী, পুলিচ প্ৰশাসন আৰু উকীল/অধিবক্তাৰ উপস্থিতি দেখুওৱা হৈছে।

এনেদৰে প্ৰথম পুৰস্কাৰ লাভ কৰি বিভাগলৈ গৌৰৱ কঢ়িয়াই আনি ছাত্ৰ-ছাত্ৰী সকলে দেখুৱালে চেষ্টা আৰু একগোট হৈ কাম কৰিলে সফলতা লাভ কৰিব পাৰি। ই বিভাগৰ পৰৱৰ্তী কালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক উদাহৰণ হৈ ৰ'ব।

ড° তপন কলিতা
মুৰব্বী তথা সহযোগী অধ্যাপক, ইতিহাস বিভাগ, নিৰ্মল হালৈ মহাবিদ্যালয়।

সুস্থ দেহত সুস্থ মন গঢ় দি তোলাৰ উদ্দেশ্যেৰেই প্ৰতিটো বছৰৰ দৰে মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে যোৱা ২ মাৰ্চৰ পৰা ৭ মাৰ্চলৈ ৪৪ তম্, ২০২৪ চনৰ -মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। মহাবিদ্যায়লৰ অধ্যক্ষ ড° কৌশিক কুমাৰ ডেকাই কৰা পতাকা উত্তোলনৰে মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচীক আৰম্ভ কৰা হয়। বজালী জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত উৰ্মী মেধিয়ে উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত মহাবিদ্যালয় খনৰ প্ৰতিটো বিভাগৰে ছাত্ৰ-ছাত্ৰীসকলে অধিক উৎসাহেৰে অংশ গ্ৰহণ কৰা দেখা যায়। মহাবিদ্যালয় সপ্তাহত এক সুপৰিকল্পিত চিন্তা আৰু ক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰি তেওঁলোকৰ নিজ প্ৰতিভা বিকাশৰ এক সুবিধা প্ৰদান কৰা হয়। অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী সমূহীয়াভাৱে জড়িত হ'ব পৰা কাৰ্য্যসূচীসমূহত ছাত্ৰ-ছাত্ৰীৰ উৎসাহজনক অংশ গ্ৰহণ আছিল এক যোগাত্মক দিশ। কাৰণ এই কাৰ্য্যসূচীবোৰে ছাত্ৰৰ মনত সামাজিক চেতনা, বন্ধুত্ব, সহযোগিতা, সহানুভূতিশীলতা, নেতৃত্ব গ্ৰহণৰ ক্ষমতা আদি সামাজিক গুণ সমূহ বিকশাই তুলিব পাৰে। নিৰ্মল হালৈ মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচীসমূহত শিক্ষক সকলৰ সক্ৰিয় অংশ গ্ৰহণে পূৰ্বৰে পৰা প্ৰশংসা বুটলি আনিবলৈ সক্ষম হৈছে। শিক্ষক সকলৰ সহযোগিতাত শিক্ষাৰ্থীসকল যথেষ্ঠ অনুপ্ৰাণিত আৰু লাভান্বিতও হৈ আহিছে। গ্ৰাম্য পৰিৱেশৰ এই মহাবিদ্যলয়খনে স্বচ্ছলভাৱে নহ'লেও যথাসম্ভৱ অৰ্থ ব্যয় কৰি মহাবিদ্যালয় সপ্তাহ সাফল্যমণ্ডিত কৰিবলৈ চেষ্টা কৰি আহিছে। ভৱিষ্যতে কৰ্তৃপক্ষৰ আৰু অধিক মনোযোগ আৰু আৰ্থিক সাহায্যৰ প্ৰয়োজন হ'ব। যিয়ে মহাবিদ্যালয় খনৰ বৈষয়িক অৱস্থা আৰু পৰিৱেশ উন্নত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ খেল- ধেমালি, সাংস্কৃতিক দিশৰ প্ৰয়োজনসমূহ পূৰণ কৰিব । শেষত, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

গীতাশ্ৰী গোস্বামী
মুৰব্বী তথা সহযোগী অধ্যাপক
শিক্ষা বিভাগ





বিগত বছৰৰ দৰে এইবেলিও নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ৪৪ তম্ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয় সাংস্কৃতিক-শোভাযাত্ৰাৰে। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি সকলোকে মুগ্ধ কৰে। মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু এই প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক বিভাগত অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলে নিজৰ মানসিক, বৌদ্ধিক তথা প্ৰতিভাৰ প্ৰতিফলন ঘটায়।


সেয়ে আমি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ পৰিয়ালে ছাত্ৰ-ছাত্ৰীক লৈ গৌৰৱান্বিত।

ড° বিনিমা পাটগিৰি
সহকাৰী অধ্যাপিকা
সংস্কৃত বিভাগ

# COLLEGE WEEK 2023-24

The entire campus comes alive like Jimi's Rose Garden with a multitude of colorful events, and cheerful activities among the students. These opportunities provide the perfect backdrop for creating lasting memories and capturing beautiful pictures.

Dr. Kamal Thakuria
Asstt. Professor
Deptt. of Economics



The college week started with a huge and iridescent cultural rally of different departments, which really made us happy and proud. For the first time, I am appointed as a teacher in- charge of girls common room. In this college week, I and the secretary of girls common room have organised so many games for the girls and it's completed peacefully and successfully. I am delighted for the opportunity.

Anjali Roy
Assistant Professor
Department
of Commerce

The proverb " All work and no play makes Jack a Dull Boy" stresses the fact that one should have a balanced life. For students, bookish knowledge or academics alone will not help them scale great heights in their career. Overall personality development is very important and for this every person needs to enhance his/her knowledge. Our students came out as so hardworking, extremely talented and enthusiastic. I enjoyed them watching play and participating on various activities and also this makes them socially,mentally and physically fit! I felt extremely delighted to be a part of it too.

Miss Pooja Khataniar
Assistant Professor
Deptt. of Commerce







*"साहित्य-संगीत कलाविहीन: साक्षात्पशु: पुच्छविषाणहीन:"*

অথবা
"সাহিত্য-সংগীত কলাবিহীনঃ সাক্ষাৎপশুঃ পুচ্ছবিষাণহীনঃ।"
২০২৩-২৪ ইং বৰ্ষৰ মাৰ্চ মাহৰ ২য় দিনৰ পৰা ৭ মাৰ্চ পৰ্য্যন্ত আয়োজিত হোৱা বজালী জিলাৰ এখন আগশাৰীৰ মহাবিদ্যালয় নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' বৰ চকুত লগাকৈ আয়োজন কৰা দৃষ্টিগোচৰ হৈছে। সাম্প্ৰতিক সময়ৰ সাক্ষ্য বহন কৰা সাংস্কৃতিক শোভাযাত্ৰাকে আদি কৰি প্ৰতিটো দিশৰে পৰা এই ৭ টা দিন মহাবিদ্যালয়ত এক সূকীয়া আনন্দৰ উৎসৱ পালন কৰা হৈছে। যাৰ মাজতেই বিকশিত কৰিবলৈ অপ্ৰাণ চেষ্টা কৰা হৈছে সমাজৰ একো একোজন সুস্থ-সবল ব্যক্তিত্বৰ অধিকাৰী সু-নাগৰিক তথা এজন সাহিত্যিক কিম্বা বিশ্ব বিজয়ী খেলুৱৈ গঢ় দিয়াত। অনুভৱৰ পৃষ্ঠা লিখিবলৈ ল'লে বোৱতী নৈৰ সোঁত ব'ব যদিও মহাবিদ্যালয় সপ্তাহৰ কিছুমান বিশেষ পৰিবেশে মোক বাৰুকৈ প্ৰভাৱিত কৰে । তাৰ ভিতৰত এই একতা-উৎসাহ-নিজকে শ্ৰেষ্ঠ কৰাৰ প্ৰয়াস। ওপৰত সংস্কৃতৰ অৰ্দ্ধ শ্লোকফাঁকিয়ে গুৰুত্বপূৰ্ণ সকলো দিশ আবৰিছে যাৰ মাজত এই মহাবিদ্যালয় সপ্তাহ আয়োজন কৰাৰ অৰ্থ সুন্দৰকৈ প্ৰতিফলিত হয় 'সাহিত্য-সংগীত-কলা বিহীন লোক সাক্ষাৎ নেজ-বিষ নথকা পশুৰ দৰে' ।
প্ৰকাশ বৰ্মন

অতিথি সহঃ আচাৰ্য্য
নিৰ্মল হালৈ মহাবিদ্যালয়
সংস্কৃত বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়ত মোৰ কৰ্মজীৱনৰ প্ৰথম মহাবিদ্যালয় সপ্তাহত উপস্থিত থাকি মই অতিকৈ সুখী অনুভৱ কৰিছোঁ। মহাবিদ্যালয় সপ্তাহৰ প্ৰথমদিনাৰ এটি আকৰ্ষণীয় কাৰ্য্যসূচী 'সাংস্কৃতিক শোভাযাত্ৰা' ত ছাত্ৰ-ছাত্ৰী সকলে অসমৰ বিভিন্ন কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি যি নান্দনিক দৃশ্য গঢ়ি তুলিছে, সেইটো সঁচাকৈয়ে লক্ষণীয়। ছাত্ৰ একতা সভাৰ সভাপতি, সাধাৰণ সম্পাদক তথা প্ৰতিটো বিভাগৰ সম্পাদকসকলে স্বকীয় দায়িত্ব পালন কৰি কাৰ্য্যসূচী সুচাৰুৰূপে সম্পন্ন কৰিছে। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দই অনুষ্ঠানটিৰ সফল সমাপ্তিত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছে। ময়ো ছাত্ৰ জিৰণি কোঠা বিভাগৰ তত্ত্বাৱধায়ক হিচাপে অনুষ্ঠানটিত জড়িত হৈ অনাবিল আনন্দ উপভোগ কৰিছোঁ।

ড° চিত্ৰৰঞ্জন শৰ্মা
সহকাৰী অধ্যাপক
সংস্কৃত বিভাগ

স্বনামধন্য নিৰ্মল হালৈ মহাবিদ্যালয়ত মোৰ চাকৰি জীৱনৰ প্ৰথম মহাবিদ্যালয় সপ্তাহ উপভোগ কৰিবলৈ দিয়াৰ বাবে পোন প্ৰথমে উদ্যোক্তাসকললৈ আন্তৰিক শুভেচ্ছা জনাইছোঁ। শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক, সৰ্বদিশৰ উৎকৰ্ষ সাধিবলৈ মহাবিদ্যালয় সপ্তাহৰ প্ৰয়োজনীয়তা অপৰিসীম। সৰুৰে পৰা বিভিন্ন খেল ধেমালিৰ সৈতে জড়িত থকা হেতু প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত থাকিবলৈ পাই নিজকে পুনৰাই ঘূৰাই পোৱা যেন লাগিল। বিভিন্ন খেল ধেমালি বিশেষকৈ কাবাডী, ভলীবল, কইনাসঁজা আদি খেল সমূহে আমাক পুলকিত কৰি তুলিছিল। চেনেহৰ মহাবিদ্যালয়খনৰ ক্ৰীড়াৰ এই সমৃদ্ধ পৰম্পৰা চিৰযুগমীয়া হওঁক এই আশাৰে এই ক্ষুদ্ৰ লিখনিৰ সামৰণি মাৰিছোঁ।

বিপুল ৰয়
কৰ্মচাৰী



শুভেচ্ছাবাণী

বিগত বছৰবোৰৰ দৰে এইবেলিও নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছিয়ে ০২-০৩-২০২৪ ইং তাৰিখৰ পৰা ০৭-০৩-২০২৪ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিব পাৰি সুখী হৈছোঁ। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে প্ৰতিভা বিকাশতো সহায়ক হ'ব। মই সকলো ছাত্ৰ-ছাত্ৰীকে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাই শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় সপ্তাহৰ সফল কামনাৰে —

কৈলাস ডেকা
অৱসৰপ্ৰাপ্ত জিলা কৃষি বিষয়া তথা স্থানীয় বাসিন্দা
পাটাছাৰকুছি



আমি একেবাৰে চালুকীয় অৱস্থাৰ পৰাই দেখিছো নিৰ্মল হালৈ মহাবিদ্যালয়খন। মহাবিদ্যালয় সপ্তাহ আহিলে লৰা ছোৱালীবিলাকৰ গাৰ তত নাইকীয়া হয়। কাৰণ সিহঁতে নিজৰ নিজৰ প্ৰতিভা বিকাশৰ কাৰণে উঠি পৰি লাগে। প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ মনত এটা প্ৰতিযোগীতামূলক ভাৱ জাগি উঠে আৰু খেল খেলিবলৈ আগ্ৰহী হয়। মহাবিদ্যালয় সপ্তাহত আগদিনা ৰাতি গেট দিয়া আদি বিভিন্ন কাম কৰাৰ কাৰণে গোটেই ৰাতি উজাগৰে কটায়। মহাবিদ্যালয় সপ্তাহ চলি থকা সময়ত ঠাইখিনি জাকজমক হৈ থকা যেন মোৰ অনুভৱ হয়।

মহাবিদ্যালয়ত উন্নতিৰ কামনা কৰি মই মোৰ কলম সামৰিলোঁ।


শ্ৰীপ্ৰভা দেৱী
স্থানীয় বাসিন্দ
পাটাছাৰকুছি



## A Vision: Through the College Week 2024

Here, I was once again, preparing myself mentally to re-start the second phase of my life (But this time with the extra-curricular activities). I personally feel that the college week is a multi-platform project that focuses largely on identity and assimilation; two things I got to experience through the students this year in our college. One of the most overwhelming and utterly enjoyable aspects of this platform was getting to envision a course and the so-called innate ideas. What is the best way to explore within oneself through any skill and how will I want to do it? I think this kind of multi-platform allows absolute freedom to explore and make connections to different skills and performances, assignments, activities etc. Students want adults to be the adults. In my experience, I found students have no problem working hard but they need to know that the work matters. They need to know that the person reviewing their works matters.

Banashri Kumar
Asstt. Professor
Dept. of Philosophy



যোৱা বেলিৰ দৰে এইবেলিও , মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ অৰ্থনীতি বিভাগৰ ফালৰ পৰা আমাৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী তথা ভাইটি-ভন্টি সকলে মোৰ লগত থাকি যিখিনি পৰামৰ্শ সেৱা আগবঢ়াইছে তাৰ বাবে তেওঁলোকক মই মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ অৰ্থনীতি বিভাগৰ বিষয়টো আছিল 'অসমীয়া গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি'। এইবাৰ সাংস্কৃতিক শোভাযাত্ৰাত মই উপস্থিত থাকি নথৈ আনন্দিত হৈছোঁ। ইয়াৰ পিছত মই মোৰ অৰ্থনীতি বিভাগৰ ছাৰ-বাইদেউ সকলৰ ওচৰত আমাক দিহা-পৰামৰ্শ দি যিখিনি সহায়-সহযোগিতা কৰিলে তাৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ ।

পূজা তালুকদাৰ
অৰ্থনীতি বিভাগ
চতুৰ্থ ষান্মাসিক

### মহাবিদ্যালয় সপ্তাহত মোৰ অভিজ্ঞতা

যোৱা ২ মাৰ্চ, ২০২৪ ইং তাৰিখৰ পৰা আৰম্ভ হোৱা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' বৰ উলাহপূৰ্ণ আছিল। কেইদিনমান আগৰে পৰা প্ৰস্তুতি চলোৱা সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ বাণিজ্য বিভাগৰ অংশগ্ৰহণৰ পৰা আৰম্ভ কৰি প্ৰাচীৰ পত্ৰিকাৰ পুনঃনিৰ্মাণ লৈকে এক উৎসাহপূৰ্ণ অভিজ্ঞতা। অতি কম সময়ৰ ভিতৰতে দলীয় ভাৱে কাম কৰি অৰিহণা যোগোৱাটো এক বেলেগ আমেজ। লুডু, কেৰমকে আদি কৰি ৰচনা লিখা, কবিতা আবৃত্তি প্ৰতিযোগিতাই মোক এক নতুন উৎসাহ দিছে। মোৰ বাবে এয়া মহাবিদ্যালয়ৰ শেষ মহাবিদ্যালয় সপ্তাহ। গতিকে, এয়া মোৰ বাবে এক সুমধুৰ স্মৃতি হৈ ৰব। এইখিনিতে, মোক উৎসাহ দিয়া প্ৰতি গৰাকী শিক্ষক-শিক্ষয়িত্ৰী লৈ কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ আৰু সহযোগ কৰা প্ৰতিগৰাকী সহপাঠী আৰু ভাইটি ভন্টিলৈ ধন্যবাদ আৰু মৰম যাচিলোঁ।

অনুপ শৰ্মা
বাণিজ্য বিভাগ
ষষ্ঠ ষান্মাসিক



### মহাবিদ্যালয় সপ্তাহ

আমাৰ মহাবিদ্যালয় সপ্তাহ ২ মাৰ্চ ২০২৪ ইং তাৰিখত আৰম্ভ হয়। আৰম্ভণি দিনটোৰ বাবে বৰণীয়া শোভাযাত্ৰাত আমি সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰি নিজকে গৌৰৱ অনুভৱ কৰিছোঁ। এই শোভাযাত্ৰাতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে সমাজৰ মাজত প্ৰচলিত বহুতো সাংস্কৃতিকমূলক অনুষ্ঠানৰ লগতে সমাজৰ কিছুমান ৰীতি নীতি আৰু সমাজৰ কিছুমান কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বলি হোৱা দৃশ্য প্ৰদৰ্শন কৰে। লগতে সমাজৰ কিছুমান কুসংস্কাৰ দূৰ কৰাৰ মানসিকতাৰে সমাজক সচেতন তথা সজাগ কৰাৰ প্ৰচেষ্টা কৰে। ইয়াৰ পিছত মহাবিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ মাজত বিভিন্ন খেল ধেমালি তথা গীত-মাত, নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি বৰ আনন্দিত হৈ পৰিছোঁ। মোৰ ধাৰণা হয় যে এনেবোৰ অনুষ্ঠানৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ প্ৰতিভা বিকাশৰ সুবিধা পায়।
প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ কিছুমান নিজা প্ৰতিভা থাকে সেই প্ৰতিভা বিকাশ কৰাৰ বাবে প্ৰয়োজন হয় এখন মঞ্চ বা ক্ষেত্ৰৰ। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰীসকলৰ বিভিন্ন প্ৰতিভাবোৰ প্ৰকাশ কৰাৰ বাবে প্ৰতিবছৰে এক নিৰ্দিষ্ট সময়ত এনে একোখন অনুষ্ঠানৰ প্ৰয়োজন অনুভৱ কৰি এক সুন্দৰ কাৰ্যসূচীৰ মাজেৰে নিয়াৰিকৈ পৰিবেশন কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় বহুগুণে উপকৃত হ'ব বুলি মই অনুভৱ কৰোঁ।

ৰীমা নাথ
ষষ্ঠ ষান্মাসিক
শিক্ষা বিভাগ



## মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ অনুভৱ

আমাৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"ৰ দিন কেইটা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতিকৈ ভাল লগা দিন। এই দিন কেইটাত ছাত্ৰ-ছাত্ৰীসকলে কোনোৱে খেলৰ যোগেদি, কোনোৱে নৃত্যৰ যোগেদি বা কোনোৱে বক্তৃতাৰ যোগেদি নিজৰ নিজৰ প্ৰতিভাবোৰ দেখুৱাবলৈ এখন মঞ্চ পায়। 'মহাবিদ্যালয় সপ্তাহ'ৰ দিনকেইটা যেন মোৰ মনত জাকত-জিলিকা হৈ ৰ'ব। কিয়নো এইটো মোৰ বাবে প্ৰথমটো মহাবিদ্যালয় সপ্তাহ। মই দেখিবলৈ পাইছো যে মহাবিদ্যালয়ৰ চৌহদত যেন এক প্ৰতিযোগিতামূলক পৰিৱেশ বিৰাজ কৰিছে। সাংস্কৃতিক শোভাযাত্ৰাত সকলো বিভাগৰ জ্যেষ্ঠসকলে নিজৰ বিভাগটোৰ বাবে সৰ্বোচ্চ প্ৰদৰ্শন কৰিবলৈ যিদৰে কামবোৰ কৰি গৈছে তেখেতসকলক দেখি মইও আগ্ৰহী হৈ উঠিলো। যিহেতু আমাৰ শিক্ষা বিভাগৰ পৰা অসমীয়া বিবাহ দৃশ্য প্ৰদৰ্শন হৈছিল, প্ৰথমতে মই এই শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিবলৈ ভয় খাইছিলোঁ। কিন্তু অংশগ্ৰহণ কৰাৰ পাছত জ্ঞাত হ'লো যে তাত ভয় কৰিব লগা একো নাছিল। আমাৰ বিভাগৰ জ্যেষ্ঠসকলে যি উৎসাহেৰে দায়িত্ব গ্ৰহণ কৰিছিল তেখেতসকলক দেখি আমি বহু অনুপ্ৰেৰণা লাভ কৰিছোঁ আৰু আমিও আমাৰ বিভাগক আগুৱাই নিম বুলি ভাবিছোঁ যাতে আমি ভৱিষ্যতে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰোঁ। শেষত, আমাক নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ এখন মঞ্চ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে কৰ্তব্যৰত শিক্ষাগুৰু তথা ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শ্ৰীনিপম ৰাভা
২য় ষান্মাসিক, শিক্ষা বিভাগ




সাংস্কৃতিক শোভাযাত্ৰাত মোৰ অনুভৱ:
নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত শোভাযাত্ৰাত ০২-০৩-২০২৪ ইং তাৰিখে অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব পাই মই অতিকৈ গৌৰৱান্বিত অনুভৱ কৰিছোঁ। এই অনুষ্ঠানত যোগদান হৈ মই বহুত সুখী অনুভৱ কৰিছোঁ। শোভাযাত্ৰাৰ জৰিয়তে মই কিছুমান সৰু সৰু অভিজ্ঞতা লাভ কৰিছোঁ।

মধুস্মিতা দাস
ইতিহাস বিভাগ - চতুৰ্থ ষান্মাসিক

২০২৪ বৰ্ষৰ ২ মাৰ্চৰ পৰা ৭ মাৰ্চলৈ ৪৪ তম্ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছে। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাখন মহাবিদ্যালয় সপ্তাহৰ আটাইতকৈ আকৰ্ষণীয় প্ৰতিযোগিতা 'সাংস্কৃতিক শোভাযাত্ৰা'ৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভণি কৰা হয়। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ভাৰতৰ বাৰেৰহণীয়া সংস্কৃতি, পৰম্পৰা, জাতি-জনগোষ্ঠীৰ, জাতীয় বীৰ-বীৰঙ্গনা আদিক মুখ্য বিষয় হিচাপে লৈ অংশগ্ৰহণ কৰে। এই সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে মনমুগ্ধ কৰে আৰু পিছদিনাৰ পৰা লঘু খেল, গুৰু খেল বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। তদুপলক্ষে, ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক বিভাগত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাতসমূহত ছাত্ৰ ছাত্ৰীসকলে সক্ৰিয়ভাবে অংশগ্ৰহণ কৰি বৌদ্ধিক আৰু মানসিক প্ৰতিভাৰ প্ৰতিফলন ঘটায়। এটা দুটাকৈ খেলত মইও অংশগ্ৰহণ কৰিছিলোঁ, খেলসমূহ খেলি আৰু উপভোগ কৰি বহুতেই ভাল লাগিছিল। বহুতো নজনা কথা শিকিব পাৰিছোঁ আৰু ভালেখিনি সাহস গোটাব পাৰিছোঁ।



ধন্যবাদেৰে
নিলাক্ষী দাস
অৰ্থনীতি বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ প্ৰথমটো দিনৰ শুভাৰম্ভ কৰাৰ বাবে আয়োজন কৰা শোভাযাত্ৰাত অংশগ্ৰহণ কৰিবলৈ পাই মই বহুত আনন্দিত অনুভৱ কৰিছোঁ। এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰি বহুতো নজনা কথা জানিব পাৰিলো। এই দিনটো মোৰ বাবে সদায় স্মৰণীয় হৈ ৰল। এই শোভাযাত্ৰাত আমাৰ ইতিহাস বিভাগে 'আদিম যুগৰ পৰা আধুনিক যুগলৈ ঃ সংস্কৃতিৰ ক্ৰমবিকাশ'ৰ বিষয় দেখুওৱা হৈছিল। এই শোভাযাত্ৰাত অনুষ্ঠিত কৰিবলৈ ছাৰ-বাইদেউ সকলৰ লগতে আমাৰ বিভাগৰ ষষ্ঠ ষান্মাসিকৰ দাদা-বাইদেউ আৰু বন্ধুবৰ্গ তথা ভাইটি-ভন্টীসকলে বিভিন্ন ধৰণে সহায় -সহযোগ আগবঢ়াইছিল।
শেষত, মোৰ অনুভৱ এয়াই যে সকলোৱে মিলাপ্ৰীতিৰে সহায় -সহযোগ আগবঢ়ালে সকলো কামতে সফলতা লাভ কৰিব পাৰি।



বৰ্ণিতা মেধি
চতুৰ্থ ষান্মাসিক
ইতিহাস বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰা মোৰ অনুভৱ স্মৰণীয় হৈ ৰ'ব। এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব পাই মই অতিকৈ গৌৰৱান্বিত অনুভৱ কৰিছোঁ। শোভাযাত্ৰাত অংশগ্ৰহণ কৰি মোৰ বহুত ভাল লাগিছে। কাৰণ এই শোভাযাত্ৰাৰ পৰা মই বহুতো নজনা কথা জানিব পাৰিছোঁ। ছাৰ-বাইদেউসকলৰ লগতে ষষ্ঠ ষান্মাসিকৰ দাদা-বাইদেউসকল আৰু আমাৰ চতুৰ্থ ষান্মাসিকৰ লগতে দ্বিতীয় ষান্মাসিকৰ ভাইটি-ভন্টীসকলোৰে কষ্টৰ ফলত এই শোভাযাত্ৰা সফল হৈছে। শেষত, মোৰ- অনুভৱ এইটোৱে যে একতাৰ বলত সকলো কামেই কৰিব পাৰি।



জুৰি বায়ন
ইতিহাস বিভাগ

















Published by Dr. Kaushik kr. Deka, Principal, N.H. College, Patacharkuchi: Visit us : www.nhcollege.ac.in, Cont. No. 94352 02470

Print at : Violina Offset press, Patacharkuchi